(Universal Individualism)।

এই মূল প্ৰেৰণাৰে আগবঢ়াব বিচৰা ভাৰতীয় সংহতিৰ মূল লক্ষ্যসমূহ হ'ব—

(১) ভাৰতীয় ভাষাসমূহৰ মাজৰ আন্তঃসম্পৰ্ক বৃদ্ধি। ভাৰতীয় ভাষাসমূহ আৰু সাহিত্যৰ ইতিহাস নিৰ্মাণৰ যথাৰ্থ পৰিকল্পনাৰ মাজেৰে এই লক্ষ্যক বাস্তৱায়িত কৰিব পাৰি। এইক্ষেত্ৰত তথাকথিত কেন্দ্ৰীয় আৰু প্ৰান্তীয় ব্যৱধানৰ পৰা মুক্ত হৈ সকলো ভাষা আৰু সাহিত্যকে সমদৃষ্টিৰে চোৱাৰ প্ৰচেষ্টাই হ'ব ইয়াৰ অন্যতম লক্ষ্য।

(২) ভাৰতীয় সাহিত্য অধ্যয়নৰ মাজেৰে ভাৰতীয় সমাজখনক উপলব্ধি কৰাৰ চেষ্টা কৰা আৰু সাৰ্বজনীন ব্যক্তিবাদৰ অন্বেষণৰ মাজেৰে

ঐক্যসূত্ৰবোৰ বিচাৰি আনি ৰাষ্ট্ৰীয় ধাৰণাক সুদৃঢ় কৰা।

(৩) ভাৰতীয় সাহিত্য নিৰ্মাণৰ প্ৰক্ৰিয়াত যাতে ভাৰতীয় সমাজখনৰ বহুভাষিক আৰু বহুসাংস্কৃতিক চৰিত্ৰ অৱহেলিত নহয় বা এই উদ্দেশ্যৰে এই স্বতন্ত্ৰ বৈশিষ্ট্যবোৰক একাকাৰ কৰি পেলোৱা নহয় তাৰ প্ৰতি সচেতন দৃষ্টি ৰাখিব লাগিব। এইক্ষেত্ৰত উল্লেখনীয় যে ভাৰতবৰ্ষতো ভাৰতীয়তা বা ভাৰতবোধৰ নামত কেতবোৰ উদ্দেশ্যপ্ৰণোদিত পূৰ্বনিৰ্ধাৰিত ধাৰণা আৰোপ কৰাৰ প্ৰৱণতা এটা নিৰন্তৰভাৱে ক্ৰিয়াশীল হৈ আছে। সেইবাবেই এইক্ষেত্ৰতো ব্যক্তিত্বৰ যথাৰ্থ অনুসন্ধান হ'ব লাগিব আৰু ব্যক্তি তথা ব্যক্তিয়ে প্ৰতিনিধিত্ব কৰা গোটটোৰ ভাষা-সংস্কৃতি আৰু সমাজখনে ভাৰতীয় সাহিত্যৰ ধাৰণাটোৰ মাজত প্ৰকৃত স্থান আৰু মৰ্যাদা লাভ কৰিব লাগিব।

(৪) কেবল হিন্দী বা ইংৰাজীৰ মাজতে সীমাবদ্ধ নাৰাখি আঞ্চলিক সাহিত্যৰাজিৰ আন্তঃভাষিক অনুবাদৰ প্ৰতি অধিক গুৰুত্ব প্ৰদান।

(৫) অকল পাশ্চাত্য সাহিত্যৰ সৈতে আমাৰ সাহিত্যক জোখ-মাপ কৰাৰ প্ৰৱণতা বাদ দি ভাৰতীয় ভাষাৰ বিভিন্ন সাহিত্যৰ সৈতেও বিচাৰ-বিশ্লেষণৰ প্ৰক্ৰিয়াক উৎসাহিত কৰা।

(৬) আধুনিক জ্ঞান বা সাহিত্য শিল্পৰ তত্ত্বক ভাৰতীয় প্ৰেক্ষাপটত বিচাৰ-বিশ্লেষণ আৰু পৃথিৱীৰ বিভিন্ন সাহিত্য আন্দোলনবোৰৰ ভাৰতীয় চৰিত্ৰ বা বৈশিষ্ট্য বিচাৰ।

(৭) সাহিত্য বিচাৰৰ ক্ষেত্ৰত ইংৰাজী সাহিত্যৰ ওপৰতে কেবল নিৰ্ভৰশীল নহৈ পৃথিৱীৰ আন ঠাইৰ সাহিত্যৰ প্ৰতিও দৃষ্টি খোলা ৰখা।

(৮) ঔপনিবেশিক আৰু উত্তৰ-ঔপনিবেশিক মোহগ্ৰস্ততাৰ পৰা ভাৰতীয় মানসিকতা এতিয়াও সম্পূৰ্ণভাৱে মুক্ত হ'ব পৰা নাই। সেইবাবে ভাৰতীয় জ্ঞানতত্ত্ব আৰু নন্দনতত্ত্বৰ আধুনিক প্ৰায়োগিক দিশবোৰ পৃষ্ঠভূমিলৈ গুলাই অহা নাই। গতিকে ভাৰতীয় জ্ঞানতত্ত্ব আৰু নন্দনতত্ত্বৰ আধাৰত ভাৰতীয় সাহিত্য বা বিশ্বসাহিত্যৰ বিচাৰ-বিশ্লেষণে এতিয়াও সন্তালনিকৈ চৰ্চা লাভ কৰা নাই। ভাৰতীয় সাহিত্যৰ নিৰ্মাণৰ প্ৰক্ৰিয়াত এই বিষয়টো অত্যন্ত গুৰুত্বসহকাৰে বিবেচনা কৰাৰ অৱকাশ আছে।

(৯) ভাৰতৰ প্ৰায়বোৰ আঞ্চলিক সাহিত্যত জ্ঞানতত্ত্ব আৰু নন্দনতত্ত্বৰ ফালৰ

পৰা সংস্কৃত ভাষা-সাহিত্যৰ এক অৱধাৰিত প্ৰভাৱ আছে। কিন্তু এই ভাষা-সাহিত্যসমূহে নিজস্বভাৱে বিকাশ লাভ কৰাৰ দীৰ্ঘদিনীয়া প্ৰক্ৰিয়াত কেতবোৰ থলুৱা আৰু স্বতন্ত্ৰ উপাদানেও বিকাশ লাভ কৰিছিল যিবোৰৰ আধাৰতো সাহিত্যকৰ্মৰ বিভিন্ন দিশ বিচাৰ-বিশ্লেষণ কৰিব পাৰি। এনে দিশসমূহৰ বিবেচনাই প্ৰান্তীয় সাহিত্যসমূহৰ দৃষ্টিভংগীৰ প্ৰশ্নটো অধিক গুৰুত্বৰ মাজলৈ আনিব।

এই মূল প্ৰেৰণা আৰু লক্ষ্যসমূহক লৈ তুলনাত্মক সাহিত্যৰ ভাৰতীয় সংহতিক বলিষ্ঠ আৰু গতিশীল কৰি তোলাটোৱেই হ'ব তুলনাত্মক ভাৰতীয় সাহিত্যৰ মূল ভৱিষ্যমুখী দায়িত্ব। তুলনাত্মক সাহিত্য সম্পৰ্কে যথেষ্ট বিতৰ্ক থকাৰ পিছতো আজিৰ পটভূমিত ভাৰতীয় সাহিত্যসমূহৰ যথাৰ্থ অধ্যয়নৰ বাবে ই এক অপৰিহাৰ্য বিদ্যায়তনিক অনুশীলন। এই অনুশীলনৰ বাটত পোহৰ পেলাব পাৰে ড° বাণীকান্ত কাকতিৰ এই আলোকসন্ধানী মন্তব্যই— "নিজৰ ভাষা-ভাষী মানুহৰ অন্তৰৰ পোহৰ আৰু আন ভাষা-ভাষী মানুহৰ বাহিৰৰ পোহৰ পৰিবলৈ জ্ঞানৰ খিৰিকী সদায় খোলা ৰাখিব লাগিব।"